ছুবহানাল্লাহ! মুমিন কেতিয়াও অপৱিত্ৰ নহয়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে মদীনাৰ এটা উপপথত সাক্ষাৎ কৰিলে, সেই সময়ত তেওঁ (আবু হুৰাইৰাহ) জুনুবী (গোছল ফৰজ হোৱা) অৱস্থাত আছিল। সেয়ে তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামক নজনাকৈয়ে গোপনে গুচি গৈ গোছল কৰিলে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ বিষয়ে সোধাত তেওঁ যেতিয়া আহিল, তেতিয়া তেখেতে ক'লেঃ "হে আবু
হুৰাইৰাহ তুমি ক'ত আছিলা?" তেতিয়া তেওঁ ক'লেঃ হে আল্লাহৰ ৰাছুল! আপোনাৰ সৈতে মই
যেতিয়া সাক্ষাৎ কৰিছিলোঁ, তেতিয়া মই জুনুবী অৱস্থাত আছিলোঁ, সেয়ে মই গোছল নকৰাকৈ আপোনাৰ বৈঠকত উপস্থিত হ'বলৈ অপছন্দ কৰিলোঁ। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে ক'লেঃ "ছুবহানাল্লাহ! মুমিন কেতিয়াও অপৱিত্ৰ নহয়।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

মদীনাৰ কোনো এটা পথত আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ সৈতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ দেখা হ'ল। সেই সময়ত আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহু জুনুবী (স্ত্ৰী সহবাসৰ পিছত গোছল ফৰজ হোৱা) অৱস্থাত আছিল। সেয়ে তেওঁ নিজকে অপৱিত্ৰ বুলি ভাবি আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি থকা শ্ৰদ্ধাৰ কাৰণে, তেখেতৰ সৈতে বৈঠকত বহিবলৈ আৰু আলোচনা কৰিবলৈ অপছন্দ কৰিলে। সেয়ে তেওঁ গোপনে গুচি গৈ গোছল কৰিলে, আৰু উভতি আহি পুনৰ বৈঠকত বহিল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক সুধিলে, তুমি ক'ত আছিলা? তেতিয়া তেওঁ তেখেতক জনালে যে, তেওঁ জুনুবী অৱস্থাত থকাৰ কাৰণে অপৱিত্ৰ আছিল, সেয়ে তেওঁ তেখেতৰ বৈঠকত বহাটো অপছন্দ কৰিছিল। এই কথা শুনি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আশ্চৰ্য্য প্ৰকাশ কৰি ক'লেঃ "মুমিন সদায় পৱিত্ৰ, কোনো অৱস্থাতেই অপৱিত্ৰ নহয়। জীৱিত হওক বা মৃত।"

http://sunnah.global/hadeeth/as/show/3076